**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 18-10-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

০০০০০০০

১।   ভাৰতে নেফিথ্ৰ'মাইচিন নামৰ থলুৱা এণ্টিবায়'টিক বিকশাই তুলিছে।

২।   প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং আৰু উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্য নাথে আজি লক্ষ্নৌৰ ব্ৰহ্মছ এয়াৰ'স্পেচ গোটত নিৰ্মিত ব্ৰহ্মছ ক্ষেপনাস্ত্ৰৰ প্ৰথমটো খেপ পতাকা জোকাৰি ৰাওনা কৰে।

৩।   মহাৰাষ্ট্ৰৰ চন্দনছেইলী ঘাটত আজি পুৱা এখন পিক-আপ বাহন পথৰ পৰা বাগৰি পৰাৰ ফলত কমেও ৮ জন লোকে প্ৰাণ হেৰুৱায় আৰু অন্য ২৮ জন আহত হয়।

৪।   কৃষি শ্ৰমিকৰ বাবে সৰ্বভাৰতীয় উপভোক্তা মূল্য সূচ্যাংক বাৰ্ষিক ভিত্তিত যোৱা ছেপ্তেম্বৰত শূণ্যৰ পৰা শূণ্য দশমিক ৭ শতাংশ তললৈ নামে।

*আৰু*

৫।   ভাৰতৰ তনভি শৰ্মাই গুৱাহাটীত অনুষ্ঠিত বি ডব্লিউ এফ বিশ্ব জুনিয়ৰ বেডমিণ্টন প্ৰতিযোগিতাৰ ছোৱালীৰ ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০০০

ভাৰতে নেফিথ্ৰ'মাইচিন নামৰ থলুৱা এণ্টিবায়'টিক বিকশাই তুলিছে বুলি বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে প্ৰকাশ কৰিছে। নতুন দিল্লীত আজি এখন চিকিৎসা কৰ্মশালা মুকলি কৰি ড০ সিঙে কয়, যে এই এণ্টিবায়'টিকবিধ প্ৰতিৰোধী শ্বাস-প্ৰশ্বাসজনিত সংক্ৰমণ বিশেষকৈ, কৰ্কট ৰোগী আৰু অনিয়ন্ত্ৰিত মধুমেহ ৰোগীৰ ক্ষেত্ৰত  অতিকে ফলপ্ৰসূ। মন্ত্ৰীগৰাকীয়ে লগতে কয়, যে দেশে বৈজ্ঞানিক আৰু গৱেষণাৰ বিকাশৰ বাবে আত্ম-নিৰ্ভৰতন্ত্ৰ বিকশাই তুলিব লাগিব। কৃত্ৰিম বুদ্ধিমত্তা আধাৰিত হাইব্ৰিড ভ্ৰাম্যমান চিকিৎসালয়সমূহে গ্ৰাম্য আৰু দুৰ্গম্য আৰু দূৰণিবটীয়া সেৱা প্ৰদান কৰি সকলোৰে বাবে গুণগত স্বাস্থ্য সুনিশ্চিত কৰা বুলি ড০ সিঙে মন্তব্য কৰে। তেওঁ কয়, যে উদ্ভাৱন, সমন্বয় আৰু কৰুণাৰ সংমিশ্ৰণে দেশক বিকশিত ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ যাত্ৰাক নতুন মাত্ৰা প্ৰদান কৰিব।

০০০০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং আৰু উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্য নাথে আজি উত্তৰ প্ৰদেশৰ লক্ষ্নৌস্থিত ব্ৰহ্মছ এয়াৰ'স্পেচ গোটত নিৰ্মিত ব্ৰহ্মছ ক্ষেপনাস্ত্ৰৰ প্ৰথমটো খেপ পতাকা জোকাৰি ৰাওনা কৰে। এই উপলক্ষে প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে কয়, যে ব্ৰহ্মছ কেৱল এবিধ ক্ষেপনাস্ত্ৰই নহয়, বৰং দেশৰ

বৰ্ধিত থলুৱা সামৰ্থ্যৰ প্ৰতীক। তেওঁ কয়, যে ব্ৰহ্মছ পৰম্পৰাগত সমৰাষ্ট্ৰৰে সু-সজ্জিত নিৰ্দিষ্ট লক্ষ্যত আঘাত হানিব পৰা অত্যাধুনিক ক্ষেপণাস্ত্ৰ প্ৰণালী আৰু শব্দতকৈ বেগী এই ক্ষেপণাস্ত্ৰবিধে দীৰ্ঘ দূৰত্বৰ লক্ষ্য ভেদ কৰিব পাৰে। তেওঁ কয়, যে গতি, নিখুঁটভাৱে লক্ষ্যত আঘাত হনাৰ সামৰ্থ্য আৰু শক্তিৰ সংযোজনে ব্ৰহ্মছ ক্ষেপণাস্ত্ৰক বিশ্বৰ শ্ৰেষ্ঠ ক্ষেপণাস্ত্ৰ প্ৰণালীসমূহৰ অন্যতম কৰি তোলে। দেশৰ শত্ৰুসকল এতিয়া আৰু ব্ৰহ্মছৰ আঘাতৰ পৰা সাৰি যাব নোৱাৰে বুলি মন্ত্ৰীগৰাকীয়ে আস্থা প্ৰকাশ কৰে। তেওঁ কয়, যে ভাৰত সম্প্ৰতি এনে এক সন্ধিক্ষণত উপনীত হৈছে য'ত দেশখনে এফালে নিজৰ সুৰক্ষা ব্যৱস্থা শক্তিশালী কৰি তুলিছে আৰু আনফালে প্ৰতিৰক্ষা আৰু প্ৰযুক্তিৰ ক্ষেত্ৰত নিৰ্ভৰযোগ্য সহযোগী বুলি বিশ্বক দেখুৱাই দিছে। ব্ৰহ্মছৰ দৰে সফলতাসমূহে মেড ইন ইণ্ডিয়া যে এতিয়া আৰু এটা মাথো ধ্বনি নহয়, সেয়া প্ৰমাণ কৰিছে বুলি মন্তব্য কৰে। তেওঁ কয়, যে ব্ৰহ্মছ দলে যোৱা এটা মাহত দুখন দেশৰ সৈতে প্ৰায় ৪ হাজাৰ কোটি টকাৰ একাধিক চুক্তিত স্বাক্ষৰ কৰিছে। মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে তেওঁৰ ভাষণত ব্ৰহ্মছক আত্ম-নিৰ্ভৰশীলতাৰ ক্ষেপণাস্ত্ৰ আৰু ক্ষেপণাস্ত্ৰবিধে দেশৰ প্ৰতিৰক্ষা চাহিদা পূৰণ কৰা বুলি মন্তব্য কৰে। অনুষ্ঠানত প্ৰতিৰক্ষা মন্ত্ৰী আৰু উত্তৰ প্ৰদেশৰ মন্ত্ৰীগৰাকীয়ে বুষ্টাৰ ভৱন উদ্বোধন কৰে আৰু বুষ্টাৰ ড'কিং প্ৰক্ৰিয়াৰ প্ৰদৰ্শন কৰে।

oooooooo

দেশৰ জনসাধাৰণে এই উৎসৱৰ বতৰত সমগ্ৰ দেশৰ ৰাষ্ট্ৰীয় ঘাইপথ আৰু ৰাষ্ট্ৰীয় এক্সপ্ৰেছ ৱে'ত নিজৰ পৰিয়াল তথা বন্ধুবৰ্গক কোনো ধৰণৰ অসুবিধা নোহোৱাকৈ এবছৰৰ বাবে ভ্ৰমণ কৰাৰ সুবিধা হোৱাকৈ ফাষ্টটেগ বাৰ্ষিক পাছ  উপহাৰ দিব পাৰে। ৰাষ্ট্ৰীয় ঘাইপথ কৰ্তৃপক্ষৰ ৰাজমাৰ্গ যাত্ৰা মোবাইল এপ্লিকেচনৰ জৰিয়তে ব্যক্তিগত বাহনসমূহৰ বাবে এই উপহাৰ প্ৰদান কৰিব পাৰে। গুগল প্লে ষ্ট'ৰৰ জৰিয়তে এই এপটো ডাউনলোড কৰিব পাৰে। জনসাধাৰণে নিজৰ আত্মীয়সকললৈ এই পাছ উপহাৰ হিচাপে দিবৰ বাবে মোবাইল এপ্লিকেচনৰ **এড পাছত** ক্লিক কৰি বাহনখনৰ সবিশেষ তথা নিৰ্দিষ্ট ব্যক্তিগৰাকীৰ সবিশেষ দাখিল কৰিব লাগিব। মোবাইল ফোনত লাভ কৰা অ' টি পিৰ জৰিয়তে এই পাছটো বাহনখনত সংলগ্ন ফাষ্টটেগত সক্ৰিয় কৰিব পাৰিব। বছৰটোৰ বাবে মাত্ৰ ৩ হাজাৰ টকাত এই পাছৰ সুবিধা গ্ৰহণ কৰিব পাৰে। সমগ্ৰ দেশৰ এহেজাৰ ১৫০ টা ট'ল প্লাজাত এই সুবিধা উপলব্ধ।

oooooooo

ভাৰতীয় ৰে'লৱেই ৰে'লৱেৰ কাম-কাজ সম্পৰ্কীয় বিভ্ৰান্তিকৰ ভি ডি অ' শ্বেয়াৰ কৰা ছ'ছিয়েল মিডিয়া ব্যৱহাৰকাৰীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ৰে'ল মন্ত্ৰালয়ে এটা বিবৃতিযোগে কয়, যে এইবেলি উৎসৱৰ বতৰত ছ'ছিয়েল মিডিয়া ব্যৱহাৰকাৰীয়ে পুৰণি অথবা বিভ্ৰান্তিকৰ ভি ডি অ' প্ৰচাৰ কৰা আৰু এনে ভিডিঅ'ৰ ফলত যাত্ৰীসকলৰ মাজত বিভ্ৰান্তিৰ সৃষ্টি হোৱা দেখা গৈছে। মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে, যাত্ৰীৰ মাজত অনাৱশ্যকীয় ভয়ৰ সৃষ্টি কৰা পুৰণি অথবা বিভ্ৰান্তিকৰ ভি ডি অ' প্ৰচাৰ কৰাৰ বাবে জগৰীয়া ২০ টা ছ'ছিয়েল হেণ্ডেল চিনাক্ত কৰা হৈছে। মন্ত্ৰালয়ে কয়, যে ৰে'লৱে প্ৰশাসনে এই ছ'ছিয়েল মিডিয়া ব্যৱহাৰীসকলৰ বিৰুদ্ধে এজাহাৰ ৰুজু কৰাৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে আৰু সমাজ বিৰোধী কাৰ্য্য-কলাপৰ ওপৰত নজৰ ৰখাৰ বাবে এটা অহৰ্নিশে খোলা থকা ছ'ছিয়েল মিডিয়া নিৰীক্ষণ ব্যৱস্থা গঢ়ি তুলিছে। মন্ত্ৰালয়ে সকলো ছ'ছিয়েল মিডিয়া ব্যৱহাৰীক সত্যাসত্য নিৰূপণ নকৰাকৈ ৰে'ল ষ্টেচনত ভীৰ হোৱাৰ  অথবা অন্য ঘটনাৰ ভিডিঅ' শ্বেয়াৰ কৰাৰ পৰা বিৰত থাকিবলৈ আহ্বান জনাইছে। মন্ত্ৰালয়ে লগতে

যাত্ৰীসকলক ৰে'ল বিভাগৰ আনুষ্ঠানিক জাননী আৰু ৰে'ল মন্ত্ৰালয়ৰ ছ'ছিয়েল মিডিয়া হেণ্ডেলৰ ওপৰত ভৰসা কৰিবলৈ অনুৰোধ জনাইছে।

oooooooo

আজি কাতি বিহু। অসমৰ কৃষিজীৱি ৰাইজে আহিন আৰু কাতিৰ দোমাহীৰ দিনা কাতি বিহু পালন কৰি শস্যৰ শ্ৰীবৃদ্ধি কামনা কৰে। সমগ্ৰ অসমত আজি কাতি বিহু পৰম্পৰাগত ৰীতি নীতিৰে পালন কৰা হৈছে। এই উপলক্ষে চোতালত তুলসী ৰুই তুলসীৰ তলত বন্তি জ্বলোৱাৰ লগতে পথাৰত বন্তি জ্বলাই বছৰটোৰ বাবে শইচ নদন বদন হোৱাৰ কামনা কৰা হৈছে। ঠায়ে ঠায়ে আকাশবন্তিও জ্বলোৱা হৈছে। মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই কাতি বিহু উপলক্ষে ৰাজ্যবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাত মুখ্যমন্ত্ৰীগৰাকীয়ে তুলসী তলৰ বন্তিগছিয়ে সকলোলৈকে সুখ সমৃদ্ধি কঢ়িয়াই অনাৰ লগতে কৃষকৰ আশাৰ ধাননি ডৰা সোণগুটিৰে উপচি পৰি ঘৰে ঘৰে লখিমীৰ বসতি হোৱাৰ কামনা কৰে।

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে কাতি বিহু উপলক্ষে অসমৰ জনসাধাৰণৰ সৰ্বতোপ্ৰকাৰৰ মংগল কামনা কৰিছে।

oooooooo

মহাৰাষ্ট্ৰৰ নন্দুৰবাৰ জিলাৰ চন্দনছেইলী ঘাটত আজি পুৱা এখন পিক-আপ বাহন পথৰ পৰা বাগৰি পৰাৰ ফলত কমেও ৮ জন লোকে প্ৰাণ হেৰুৱায় আৰু অন্য ২৮ জন আহত হয়। লোককেইজন অষ্টম্বা তীৰ্থযাত্ৰাৰ পৰা উভতি অহাৰ পথত এই দুৰ্ঘটনা সংঘটিত হয়। প্ৰাৰম্ভিক তথ্য অনুসৰি, বাহনখনত ৪০ জনৰো অধিক লোক আছিল। আৰক্ষীয়ে আহতসকলৰ ভিতৰত ১৫ জনৰ অৱস্থা সংকটজনক বুলি জানিবলৈ দিছে। তেওঁলোকক প্ৰথমে তলোডা উপ-জিলা চিকিৎসালয়ত ভৰ্তি কৰোৱা হয় আৰু পাছত উন্নত চিকিৎসাৰ বাবে নন্দুবাৰ জিলা চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়।

oooooooo

কৃষি শ্ৰমিকৰ বাবে সৰ্বভাৰতীয় উপভোক্তা মূল্য সূচ্যাংক বাৰ্ষিক ভিত্তিত যোৱা ছেপ্তেম্বৰত শূণ্যৰ পৰা শূণ্য দশমিক ৭ শতাংশ তললৈ নামে। আগষ্টত এই সূচ্যাংক ১ দশমিক শূণ্য সাত শতাংশ আছিল। শ্ৰম আৰু নিয়োগ মন্ত্ৰালয়ে জাৰি কৰা তথ্য অনুসৰি, গ্ৰামীণ শ্ৰমিকৰ মুদ্ৰাস্ফীতিও আগষ্টত ১ দশমিক ২-৬ শতাংশৰ পৰা শূণ্য দশমিক ৩-১ শতাংশলৈ হ্ৰাস পাইছে।

তথ্য অনুসৰি, ছেপ্তেম্বৰত খাদ্য মুদ্ৰাস্ফীতি শূণ্যৰ তলত থাকে। যোৱা মাহত বাৰ্ষিক ভিত্তিত খাদ্য সূচ্যাংক কৃষি শ্ৰমিকৰ বাবে ২ দশমিক ৩-৫ শতাংশ আৰু গ্ৰাম্য শ্ৰমিকৰ বাবে ১ দশমিক ৮-১ শতাংশ নিম্নগামী হয়।

oooooooo

বাংলাদেশৰ ৰাজধানী ঢাকাৰ হজৰত শ্বাহ জালাল আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ মাল পৰিবহণ ক্ষেত্ৰত আজি দুপৰীয়া ব্যাপক অগ্নিকাণ্ডৰ সূত্ৰপাত হয়। এই ঘটনাৰ পাছত বিমানৰ উৰণ স্থগিত ৰখা হয়। অগ্নি নিৰ্বাপণ বিভাগৰ কৰ্মীয়ে জুই নিয়ন্ত্ৰণ বাবে চেষ্টা চলাই আছে। অগ্নি নিৰ্বাপণ সেৱা আৰু অসামৰিক প্ৰতিৰক্ষা বিভাগে প্ৰকাশ কৰা মতে, জুই নিয়ন্ত্ৰণৰ বাবে অগ্নি নিৰ্বাপণ বিভাগৰ ৩২ টা গোট নিয়োজিত কৰা হৈছে। বাংলাদেশ অসামৰিক বিমান পৰিবহণ প্ৰাধিকৰণ, বাংলাদেশ অগ্নি নিৰ্বাপম সেৱা আৰু বাংলাদেশ বায়ু সেনা বাহিনীৰ দুটা অগ্নি নিৰ্বাপণ গোটে যৌথভাৱে জুই নুমুৱাবলৈ চেষ্টা চলাই আছে বুলি আন্তঃসেৱা

জন-সম্পৰ্কৰক্ষী বিভাগ, আই এছ পি আৰে জানিবলৈ দিছে। এতিয়ালৈকে অগ্নিকাণ্ডৰ কাৰণ আৰু ইয়াৰ ফলত হোৱা ক্ষয়-ক্ষতিৰ বিষয়ে জানিব পৰা হোৱা নাই।

oooooooo

ভাৰতৰ তনভি শৰ্মাই গুৱাহাটীত অনুষ্ঠিত বি ডব্লিউ এফ বিশ্ব জুনিয়ৰ বেডমিণ্টন প্ৰতিযোগিতাৰ ছোৱালীৰ ফাইনেলত প্ৰৱেশ কৰিছে। তনভিয়ে আজি ছেমি ফাইনেলত চীনৰ লিয়ু ছি য়াক ১৫-১১, ১৫-৯ গেমত পৰাস্ত কৰে। ১৬ বছৰীয়া তনভি বিশ্বৰ জুনিয়ৰ বেডমিণ্টন প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰা দেশৰ পঞ্চমগৰাকী খেলুৱৈ। ইয়াৰ পূৰ্বে অপৰ্ণা পোপটে ১৯৯৬, চাইনা নেহৱালে ২০০৬ আৰু ২০০৮, চিৰিল বাৰ্মাই ২০১৫ আৰু শংকৰ মুথুস্বামীয়ে ২০২২ চনত এই প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছিল।

তনভি কাইলৈ ফাইনেলত থাইলেণ্ডৰ অন্যাপট ফিছিতফোনৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

oooooooo

সমাপ্ত